আমাৰ অসম ৭/৮/১৫

## সম্পৰ্কমূলক চাৰ্টিফিকেটৰ নামত উৎকোচ সংগ্ৰহৰ অভিযোগ

# উদমাৰী এন আৰ চি কেন্দ্ৰ ঘেৰাও প্ৰতিবাদী ৰাইজৰ

**লক্ষীগঞ্জৰ প্ৰতিবেদক, ৬ আগষ্ট ঃ** বিলাসীপাৰা মহকুমাৰ উদমাৰী এন আৰ চি সেৱা কেন্দ্ৰত আজি প্ৰতিবাদী ৰাইজে হাতে হাতে বেনাৰ, প্লেকাৰ্ড প্ৰদৰ্শন কৰি বিভিন্ন শ্লোগানেৰে উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে। মহকুমাটোৰ বিলাসীপাৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত উদমাৰী গাঁও পঞ্চায়তৰ সচিব আলী হুছেইনৰ বিৰুদ্ধে বিভিন্ন দুৰ্নীতিৰ অভিযোগ তুলি ভুক্তভোগী পঞ্চায়তবাসী একাংশই প্ৰতিবাদমুখৰ হৈ উঠে। প্ৰতিবাদী ৰাইজৰ অভিযোগ অনুসৰি এন আৰ চি উন্নীতকৰণৰ কামত একাংশক সম্পৰ্কমূলক প্ৰমাণ-পত্ৰৰ প্ৰয়োজন হয়। কিন্তু এই সম্পৰ্কমূলক প্ৰমাণ-পত্ৰৰ বাবে সচিব আলী হুছেইনৰ কাষ চাপিলে সৰ্বসাধাৰণক দিনৰ পিছত দিন ধৰি ঘূৰাই অহাৰ পিছত এশৰ পৰা পাঁচশ টকা উৎকোচ নিদিলে কোনো প্ৰমাণ-পত্ৰ নিদিয়ে। তদুপৰি পঞ্চায়তখনলৈ চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰতো সংঘটিত কৰি আহিছে বিয়াগোম কেলেংকাৰি। —এই অভিযোগ পঞ্চায়তখনৰ দৰিদ্ৰ খাটিখোৱা লোকসকলৰ। এইজন পঞ্চায়ত সচিব আলী হুছেইনৰ দুৰ্নীতিৰ পয়োভৰ ইমানতে ক্ষান্ত হোৱা নাই, সচিবজনে পঞ্চায়তখনৰ প্ৰতিবন্ধী লোককো হাৰাশাস্তি কৰি অহাৰ অভিযোগ উঠিছে। পঞ্চায়তখনৰ প্ৰতিবন্ধী বাসিন্দা মফিজুল হকক চৰকাৰী আঁচনিৰ ধন মোকলাই দিয়াৰ নামতো বিগত পাঁচ মাহে তিনি হাজাৰ টকা উৎকোচ সংগ্ৰহ কৰিছিল যদিও খুজি খোৱা লোকজনক দিয়া নাই কোনো চৰকাৰী আঁচনিৰ ধন। ইফালে, পঞ্চায়তখনৰে বাসিন্দা হোৱা বাবে কাকো কেৰেপকে নকৰে সচিব আলী হুছেইনে। সচিবজনৰ দুৰ্নীতিৰ অভিযোগ তুলি প্ৰতিবাদী ৰাইজে তেওঁৰ বদলিৰ দাবী তুলিছে। এইক্ষেত্ৰত মন্ত্ৰী ৰকিবুল হুছেইনৰ বিভাগীয় বিষয়াই কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়া সময়তহে পৰিলক্ষিত হ'ব।